# Farmers' Training on Bamboo at RFRI, Jorhat

Rain Forest Research Institute, Jorhat (Assam) has conducted a **Farmers' Training on Bamboo** from $10^{th}$ to $12^{th}$ December, 2012. The Training programme was inaugurated by Sri Sushanta Nayak, Conservator of Forests, Eastern Assam Forest Circle, Jorhat. While giving his inaugural address to the trainees, Sri Nayak emphasised the importance of bamboo in the rural economy and appealed to the new generation to apply the recent developments in the areas of bamboo to its practical application.

The Divisional Forest Officer, Sri Naba Kumar Malakar also spoke on the occasion. He gave a comparative picture on bamboo cultivation *vis-a-vis* tea cultivation, particularly in Upper Assam districts. The conversion of age old bamboo/ wood plantations near our villages into tea cultivation is not a good sign, he opined. It is true that many people are economically benefitted from tea cultivation. But the benefits from bamboo cultivation are far more as compared to tea cultivation. The price of tea is governed by big tea lobbies; however, price of bamboo is determined by the farmer himself. Apart from economic benefits, there are lots of environmental benefits from bamboo cultivation also.

The training programme was coordinated by Sri Rajib Kumar Kalita, Scientist of the Institute. A total number of 15 farmers from various districts like Jorhat, Tinsukia and Dibrugarh had undergone training. There are two lady trainees also. Training were imparted training on various subjects such as Propagation, Nursery Management and Cultivation of Bamboo, Bamboo Preservation techniques and Bamboo charcoal Production Vermicomposting Techniques and Applications in bamboo nursery, bamboo products, bamboo identification etc. The resource persons were Dr. T. C. Bhuyan, Sri D. Gurung, Sri Debojit Neog, Sri Kumud Borah, Sri Niren Das and Dr. P. K. Verma.

At the Concluding Session, an interactive session was conducted among the trainees and scientists of the Institute. The trainees expressed their satisfaction and opined that they have benefitted much. They appealed to the authority of RFRI to organise more training like this in future. Certificates were distributed among the trainees at the concluding session.

# Detail Programme

***10th December, 2012(Monday)***

| Time | Session/Topic | Resource Person |
|---|---|---|
| **10:00 - 10:30 AM** | Registration | |
| **10:30 – 11:00 AM** | Inaugural Session | |
| **11:00 – 11:30 AM** | Tea Break | |
| **11:30 - 01:00 PM** | Propagation, Nursery Management and Cultivation of Bamboo | Dr. T. C. Bhuyan |
| **01:00 – 02:00 PM** | Lunch Break | |
| **02:00 - 04:00 PM** | Field Demonstrations on Propagation, Nursery Management etc | Sri Debojit Neog<br>Sri Kumud Bora |

***11 December, 2012 (Tuesday)***

| Time | Session/Topic | Resource Person |
|---|---|---|
| **10:00 - 11-00 AM** | Bamboo Preservation techniques and Bamboo charcoal Production | Sri D. Gurung |
| **11:00 - 1:00 PM** | Demonstration on Bamboo Preservation techniques and Bamboo charcoal Production | Sri D. Gurung<br>Dr. T. C. Bhuyan |
| **01:00 - 02:00 PM** | Lunch Break | |
| **02:00 - 04:00 PM** | Visit to Bamboo Composite Center | Dr. T. C. Bhuyan<br>Sri R. K. Kalita |

***12 December, 2012 (Wednesday)***

| Time | Session/Topic | Resource Person |
|---|---|---|
| **10:00 - 12-00 AM** | Vermicomposting Techniques and Applications in bamboo nursery | Dr. P. K. Verma |
| **12:00 -1:00 PM** | Interactive and Valedictory Session | |
| **01:00 - 02:00 PM** | Lunch | |




FARMERS' TRAINING ON BAMBOO
ORGANIZED BY


কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ
FARMERS' TRAINING ON BAMBOO


WELCOME TO RFRI, JORHAT
Farmers' Training on Bamboo


WELCOME TO RFRI, JORHAT
10th to 12th December, 2012
Farmers' Training on Bamboo
Rain Forest Research Institute
Jorhat Assam


WELCOME TO RFRI, JORHAT
10th to 12th December, 2012


FARMERS' TRAINING ON BAMBOO


Bamboo Nursery, Propagation
Cultivation & Management






FARMERS' TRAINING ON BAMBOO








FARMERS' TRAINING ON BAMBOO




কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ
FARMERS' TRAINING ON BAMBOO


কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ
ARMERS' TRAINING ON BAMBOO


কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ
FARMERS' TRAINING ON BAMBOO


কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ
FARMERS' TRAINING ON BAMBOO


কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ
FARMERS' TRAINING ON BAMBOO


কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ
FARMERS' TRAINING ON BAMBOO


কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ
FARMERS' TRAINING ON BAMBOO


কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ
FARMERS' TRAINING ON BAMBOO

## Media Coverage

**The News of the Training was widely covered by various Newspapers like The Telegraph, *The Dainik Janambhumi, The Asomiya Khobor, The Niyamiya Varta, The Amaar Asom on 13th December, 2012 Edition.***

দৈনিক জনমভূমি আঞ্চলিক

THE DAINIK JANAMBHUMI

Jorhat Thursday December 13, 2012

যোৰহাট বৃহস্পতিবাৰ ২৭ আঘোণ ১৯৩৪ শক

### কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ

যোৰহাট ঃ ১২ ডিচেম্বৰ ঃ বৰ্ষা অৰণ্য গৱেষণা প্ৰতিষ্ঠানত যোৱা ১০ ডিচেম্বৰৰ পৰা ১২ ডিচেম্বৰলৈকে তিনিদিনীয়াকৈ 'কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ' অনুষ্ঠিত হৈ যায়। প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে পূব অসম বন চক্ৰৰ বন সংৰক্ষক সুশান্ত নায়কে। উদ্বোধনী ভাষণত নায়কে বাঁহৰ প্ৰয়োজনীয়তাৰ বিষয়ত আলোকপাত কৰি নতুন প্ৰজন্মক বাঁহ সম্পৰ্কীয় বিভিন্ন দিশ আয়ত্ত কৰি ব্যৱহাৰিক কাৰ্যত প্ৰয়োগ কৰাৰ সন্দৰ্ভত




গুৰুত্ব আৰোপ কৰে। সভাত উপস্থিত থাকি যোৰহাট বন সংমণ্ডল প্ৰাধিকাৰী নৱ কুমাৰ মালাকাৰে চাহ আৰু বাঁহৰ এটা তুলনামূলক বাখ্যা দাঙি ধৰে। উজনি অসমত কিছু বছৰৰ পৰা দেখা দিয়া এটা প্ৰৱণতা হ'ল মানুহে নিজৰ বাঁহনি বা কাঠনিবাৰীখন ভাঙি চাহখেতি কৰাটো। চাহ যদিও কিছু পৰিমাণে লাভজনক কিন্তু বাঁহ তাতকৈ বহু বেছি পৰিমাণে লাভজনক খেতি বুলি তেওঁ মত পোষণ কৰে। বৰ্ষা অৰণ্য প্ৰতিষ্ঠানৰ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাই সমগ্ৰ প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা কৰে। এই কাৰ্যসূচীত যোৰহাট, তিনিচুকীয়া, ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানৰ পৰা অহা পোন্ধৰগৰাকী কৃষকে অংশ গ্ৰহণ কৰে। প্ৰশিক্ষণ কালত বাঁহৰ নাৰ্ছাৰী, বাঁহৰ সংবৰ্ধন তথা ৰোপণ পদ্ধতি, বিভিন্ন প্ৰজাতিৰ বাঁহৰ চিনাক্তকৰণ, বাঁহৰ সংৰক্ষণ, বাঁহ কয়লা প্ৰস্তুতকৰণ, বাঁহৰ সামগ্ৰী তৈয়াৰ কৰা বিভিন্ন যন্ত্ৰপাতি প্ৰয়োগ, বাঁহ পুলি বাগানত কেঁচুসাৰ প্ৰয়োগ আদি কৰি বিভিন্ন বিষয়ত প্ৰশিক্ষাৰ্থীসকলৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণৰ সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে ড° তিলক চন্দ্ৰ ভূঞা, ধ্ৰুৱ গুৰুং, কুমুদ বৰা, দেৱজিৎ নেওগ আৰু ড° প্ৰবীণ কুমাৰ বাৰ্মাই। প্ৰশিক্ষণৰ সামৰণী অনুষ্ঠানত প্ৰশিক্ষাৰ্থী আৰু প্ৰতিষ্ঠানৰ বিজ্ঞানীসকলৰ মাজত মত বিনিময় কৰা হয়। কৃষক প্ৰশিক্ষাৰ্থীসকলে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ পৰা যথেষ্ট উপকৃত হয় বুলি মত পোষণ কৰে। এনেধৰণৰ প্ৰশিক্ষণ ভৱিষ্যতেও অনুষ্ঠিত কৰিবৰ বাবেও অনুৰোধ জনায়। সামৰণী অনুষ্ঠানতে কৃষক প্ৰশিক্ষাৰ্থীসকলক 'মানপত্ৰ' প্ৰদান কৰা হয়।

***The Dainik Janambhumi, 13-12-2012***

সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত

গুৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত

আমাৰ অসম

যোৰহাট □ বৃহস্পতিবাৰ □ ২৭ আঘোণ ১৯৩৪ শক □ ১৩ ডিচেম্বৰ ২০১২ □ ষষ্ঠদশ বছৰ □ সংখ্যা ২৩৩ □ মূল্য ঃ ৫·০০ টকা

# বৰ্ষাৰণ্য গৱেষণা কেন্দ্ৰত বাঁহ খেতিৰ প্ৰশিক্ষণ



ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ১২ ডিচেম্বৰ ঃ কৃষকৰ মাজত বাঁহ খেতিৰ সম্পৰ্কে সচেতনতা গঢ়ি তোলাৰ লগতে বাঁহ খেতিৰ জৰিয়তে স্বাৱলম্বিতাৰ এক পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যেৰে বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে ১০ ডিচেম্বৰৰ পৰা অনুষ্ঠিত কৰা তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। এই প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে পূব অসম বন চক্ৰৰ বন সংৰক্ষক সুশান্ত কুমাৰ নায়কে। উদ্বোধনী সভাত প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্যি দিয়া ভাষণত যোৰহাট বন সংমণ্ডল প্ৰাধিকাৰী নৱকুমাৰ মালাকাৰে বাঁহ খেতিৰ ব্যাপক বাণিজ্যিক সম্ভাৱনীয়তা সম্পৰ্কে ব্যাখ্যা কৰে। মালাকাৰে কয় যে, উজনি অসমত যোৱা কিছুবছৰ ধৰি বহু লোকে চাহ খেতি কৰাৰ বাবে বাঁহনী বা কাঠনীবাৰী ধ্বংস কৰিছে। কিন্তু ৰাইজে অধিক লাভৰ আশাত বাঁহনীডৰা ধ্বংস কৰি চাহ খেতি কৰিলেও বাঁহতকৈ চাহ কেতিয়াও লাভজনক খেতি নহয় বুলি তেওঁ ভাষণত উল্লেখ কৰে। চাহ খেতিত হোৱা অধিক খৰচৰ উপৰি লাভালাভ আনৰ ওপৰত, বিশেষকৈ বৃহৎ চাহ লবীৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু কৃষকে বাঁহৰ দাম নিজে নিৰ্ধাৰণ কৰিব পাৰে আৰু বাঁহ খেতিত খৰচ কম। তথা বাঁহক বিভিন্ন কামত ব্যৱহাৰ কৰিব পাৰে। বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাই পৰিচালনা কৰা প্ৰশিক্ষণত যোৰহাট, তিনিচুকীয়া, ডিব্ৰুগড় জিলাৰ প্ৰায় ১৫ জন কৃষকে অংশ গ্ৰহণ কৰে। প্ৰশিক্ষণ কালত বাঁহৰ নাৰ্চাৰী, বাঁহৰ সংবৰ্ধন তথা ৰোপণ পদ্ধতি, বিভিন্ন প্ৰজাতিৰ বাঁহ চিনাক্তকৰণ, বাঁহৰ সংৰক্ষণ, বাঁহ কয়লা প্ৰস্তুতকৰণ, বাঁহৰ সামগ্ৰী তৈয়াৰ কৰা বিভিন্ন যন্ত্ৰপাতি প্ৰয়োগ, বাঁহপুলি বাগানত কেঁচুসাৰৰ প্ৰয়োগ আদি বিভিন্ন বিষয়ত প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণত ড° তিলক চন্দ্ৰ ভূঞা, ধ্ৰুৱ গুৰুং, কুমুদ বৰা, দেৱজিৎ নেওগ আৰু ড° প্ৰবীণ কুমাৰ বাৰ্মাই সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে। সামৰণী অনুষ্ঠানত প্ৰশিক্ষাৰ্থী আৰু প্ৰশিক্ষকৰ মাজত মত বিনিময় কৰাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

***The Amaar Asom, 13-12-2012***

বৃহস্পতিবাৰ, ১৩ ডিচেম্বৰ ২০১২ নিয়মীয়া বাৰ্তা ৯

# যোৰহাটত কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ

ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ১২ ডিচেম্বৰ ঃ বৰ্ষা অৰণ্য গৱেষণা প্ৰতিষ্ঠানত যোৱা ১০ ডিচেম্বৰৰ পৰা ১২ ডিচেম্বৰলৈ তিনিদিনীয়াকৈ কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ সম্পন্ন হয়। প্ৰশিক্ষণ কাৰ্যসূচীৰ উদ্বোধন কৰে পূব অসম বন চক্ৰৰ বন সংৰক্ষক সুশান্ত নায়কে। উদ্বোধনী ভাষণত নায়কে বাঁহৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰি নতুন প্ৰজন্মক বাঁহ সম্পৰ্কীয় বিভিন্ন দিশসমূহ আয়ত্ত কৰি ব্যৱহাৰিক কাৰ্যত প্ৰয়োগ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত উপস্থিত থাকি যোৰহাট বন সংমণ্ডল প্ৰাধিকাৰী নৰকুমাৰ মালাকাৰে চাহ আৰু বাঁহৰ এটি তুলনামূলক ব্যাখ্যা দাঙি ধৰে। উজনি অসমত কিছু বছৰৰ পৰা দেখা দিয়া এটা প্ৰৱণতা হ'ল মানুহে নিজৰ বাঁহনি বা কাঠনিবাৰীখন ভাঙি চাহ খেতি লগোৱাটো। চাহ যদিও কিছু পৰিমাণে লাভজনক, কিন্তু বাঁহ তাতকৈ বহু পৰিমাণে লাভজনক খেতি বুলি তেওঁ মতপোষণ কৰে। চাহৰ পৰা হ'ব পৰা লাভালাভ আনৰ ওপৰত বিশেষকৈ বৃহৎ চাহলৰীৰ ওপৰত নিৰ্ভৰ কৰে, কিন্তু বাঁহৰ ক্ষেত্ৰত তেনে নহয়। কৃষকে নিজৰ বাঁহৰ মূল্য নিজে নিৰ্ণয় কৰে। তদুপৰি বাঁহৰ বহুবোৰ প্ৰয়োগ দেখা পোৱা যায়। বৰ্ষা অৰণ্য প্ৰতিষ্ঠানৰ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাই সমগ্ৰ প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা কৰে। এই কাৰ্যসূচীত যোৰহাট, তিনিচুকীয়া, ডিব্ৰুগড়জিলাৰ বিভিন্ন স্থানৰ পৰা অহা ১৫ গৰাকী কৃষক বন্ধুৱে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণকালত বাঁহৰ নাৰ্চাৰী, বাঁহৰ সংবৰ্দ্ধন তথা ৰোপণ পদ্ধতি, বিভিন্ন প্ৰজাতিৰ বাঁহৰ চিনাক্তকৰণ, বাঁহৰ সংৰক্ষণ, বাঁহ কয়লা প্ৰস্তুতকৰণ, বাঁহৰ সামগ্ৰী তৈয়াৰ কৰা বিভিন্ন যন্ত্ৰপাতি প্ৰয়োগ, বাঁহপুলি বাগানত কেঁচুসাৰ প্ৰয়োগ আদি বিভিন্ন বিষয়ত প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ড° তিলক চন্দ্ৰ ভূঞা, ধ্ৰুৱ ওৰাং, কুমুদ বৰা, দেৱজিৎ নেওগ আৰু ড° প্ৰবীণ কুমাৰ বাৰ্মা। প্ৰশিক্ষণৰ সামৰণী অনুষ্ঠানত প্ৰশিক্ষাৰ্থী আৰু প্ৰতিষ্ঠানৰ বিজ্ঞানীসকলৰ মাজত মত বিনিময় কৰা হয়। কৃষক প্ৰশিক্ষাৰ্থীসকলে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ পৰা যথেষ্ট উপকৃত হয় বুলি মতপোষণ কৰে। এনে ধৰণৰ প্ৰশিক্ষণ ভৱিষ্যতেও অনুষ্ঠিত কৰিবৰ বাবে তেওঁলোকে অনুৰোধ জনায়। শেষত কৃষক প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়।



বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিত কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণ যোৰহাটত ফটো ঃ নিয়মীয়া বাৰ্তা

***The Niyamiya Varta, 13-12-2012***

অসমীয়া খবৰ ৭

১৩ ডিচেম্বৰ, বৃহস্পতিবাৰ, ২০১২

# বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত কৃষকৰ বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণৰ সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ১২ ডিচেম্বৰ ঃ** যোৰহাটৰ চটাইত অৱস্থিত বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত যোৱা ১০ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হোৱা তিনিদিনীয়া কৃষক বাঁহ সম্পৰ্কীয় প্ৰশিক্ষণৰ আজি সামৰণি পৰে। উল্লেখ্য যে ১০ ডিচেম্বৰত প্ৰশিক্ষণৰ কাৰ্যসূচী উদ্বোধন কৰে পূব অসম বন চক্ৰৰ বন সংৰক্ষক সুশান্ত নায়কে। উদ্বোধনী ভাষণত বন সংৰক্ষকগৰাকীয়ে বাঁহৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰি বাঁহৰ ব্যৱহাৰিক কাৰ্যত প্ৰয়োগ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি যোৰহাটৰ বন সংমণ্ডল প্ৰাধিকাৰী নৱ কুমাৰ মালাকাৰে চাহ আৰু বাঁহ খেতিৰ এক তুলনামূলক ব্যাখ্যা দাঙি দৰে। তেওঁ কয় যে উজনি অসমত কিছু বছৰৰ পৰা সৰ্বসাধাৰণ লোকৰ মাজত বাঁহ অথবা কাঠিনাবাৰী ভাঙি চাহগছ ৰোপণ কৰাৰ প্ৰবণতা দেখা গৈছে। যদিওবা চাহ খেতি কিছু পৰিমাণে লাভজনক তথাপি কিন্তু চাহতকৈ বাঁহৰ খেতি বহু বেছি পৰিমাণে লাভজনক বুলি বন বিষয়াজনে মতপোষণ কৰে। বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ বিজ্ঞানী ৰাজীৱ কুমাৰ কলিতাই পৰিচালনা কৰা এই প্ৰশিক্ষণত যোৰহাট, তিনিচুকীয়া, ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানৰ পৰা অহা পোন্ধৰগৰাকী কৃষকে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণৰ সময়ছোৱাত কৃষকসকলক বাঁহৰ নাৰ্চাৰী, বাঁহৰ সংবৰ্ধন আৰু ৰোপণ পদ্ধতি, বিভিন্ন প্ৰজাতিৰ বাঁহৰ চিনাক্তকৰণ, বাহঁৰ সংৰক্ষণ, বাঁহ-কয়লা প্ৰস্তুতকৰণ, বাঁহৰ বিভিন্ন সামগ্ৰী তৈয়াৰ কৰা বিভিন্ন যন্ত্ৰপাতি প্ৰয়োগ, বাঁহপুলি বাগানত কেঁচুসাৰ প্ৰয়োগ আদি বিভিন্ন বিষয়ৰ সন্দৰ্ভত প্ৰশিক্ষণ দিয়া হয়। উল্লেখ্য যে এই প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে ড° তিলক চন্দ্ৰ ভূঞা, ধ্ৰুৱ গুৰুং, কুমুদ বৰা, দেৱজ্যোতি নেওগ আৰু প্ৰবীণ বৰ্মাই অংশগ্ৰহণ কৰে। প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থী আৰু প্ৰতিষ্ঠানৰ বিজ্ঞানী সকলৰ মাজত মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়।

***The Asomiya Khobor, 13-12-2012***